# ৰাজ্যৰ তৃতীয় স্থানপ্ৰাপ্ত কৃষক বনমালী চৌধুৰী



বনমালী চৌধুৰী

‘পঞ্চম শ্ৰেণীত পঢ়ি থাকোতেই ৰামপুৰ উন্নয়ন খণ্ডৰ পৰা পোৱা এমোনিয়াম চালফেট পথাৰত ব্যৱহাৰ কৰি আধুনিক কৃষিৰ প্ৰতি তেতিয়াই ক’ব নোৱাৰাকৈ উৎসাহিত হৈ পৰো। সপ্তম শ্ৰেণীত জাৰ্চি গৰুৰ প্ৰতিপালন আৰু গিনি ঘাঁহৰ খেতি কৰি লাভ কৰিছিলোঁ ২০০ টকাৰ পুৰস্কাৰ। খেতি আৰু পশুপালনে মানুহক কেনেকৈ আৰ্থিক বিকাশত সহায় কৰিব পাৰে সেই শিক্ষা মই তেনেদৰেই কৈশোৰৰ পৰাই লাভ কৰিছিলো’। —এই উক্তি বনমালী চৌধুৰীৰ। ঘৰ মিৰ্জা কৃষিচক্ৰৰ অন্তৰ্গত কল্লাপাৰা গাঁৱত। শিক্ষাগত অৰ্হতা কলা শাখাৰ স্নাতক।

হাইস্কুলত পঢ়ি থকা কালৰেপৰা আই আৰ ৮, আই টি আই, জয়া আদিৰ দৰে উন্নত জাতৰ ধানৰ খেতি কৰিবলৈ আৰম্ভ কৰা চৌধুৰীয়ে ১৯৭৬ চনত কলেজত পঢ়ি থকা সময়ত শিক্ষামুলক ভ্ৰমণৰ জৰিয়তে বিভিন্ন ৰাজ্যৰ উন্নত কৃষি পদ্ধতিৰ চাক্ষুস অভিজ্ঞতা আহৰণ কৰে। কলেজৰ হোষ্টেলত জাতীয় সেৱা আঁচনিৰ শাখা গঠন কৰি মীন পালন আৰু ধান খেতিৰ জৰিয়তে শ্ৰমৰ মৰ্যাদাৰ নিদৰ্শন দাঙি ধৰি গুণীজনৰ দ্বাৰা প্ৰশংসিত হয়।

কলেজীয়া শিক্ষা শেষ কৰি এইজন উদ্যমী যুৱকে জীৱিকা নিৰ্বাহৰ বাবে বাচি লয় কৃষি আৰু পশুপালন ক্ষেত্ৰ। ১৯৮২ চনত ৰাণী বহুমুখী পাম পৰিচালনা কেন্দ্ৰত গ্ৰহণ কৰা প্ৰশিক্ষণে তেওঁক আৰু প্ৰণালীবদ্ধভাৱে কৃষিকাৰ্যত মনোনিৱেশ কৰাত সহায় কৰে। তাৰ মাজতে চৌধুৰীয়ে ইতিমধ্যে গুজৰাটৰ আমূল ডেইৰী পৰিদৰ্শন কৰিও দুগ্ধ উৎপাদন সম্বন্ধে অভিজ্ঞতা অৰ্জন কৰে। সেই সময়ৰ মিৰ্জা কৃষি চক্ৰৰ কৃষি সম্প্ৰসাৰণ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা কবীন্দ্ৰ বৰকাকতি (এতিয়াৰ কৃষি সঞ্চালক)য়ে অঞ্চলটোত বনমালী চৌধুৰীক এখন কৃষি সামগ্ৰীৰ দোকান দিয়াৰ বাবে উৎসাহিত কৰে।

১৯৮৩ চনত চৌধুৰীয়ে নিজৰ মাটিত পৰিকল্পিতভাৱে পিতাকৰ স্মৃতিত আৰম্ভ কৰে ‘প্ৰফুল্ল চৌধুৰী বহুমুখী পাম’। কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ জৰিয়তে লাভ কৰা সা-সুবিধা আৰু প্ৰাগজ্যোতিষ গাঁৱলীয়া বেংকৰ বৰিহাট শাখাৰ পৰা লাভ কৰা কৃষি ঋণে এই পামখনে নিজস্ব গতি লাভ কৰাত বহুখিনি সহায় কৰাৰ বিষয়ে চৌধুৰীয়ে অকপটভাৱে প্ৰকাশ কৰে।

বৰ্তমান চৌধুৰীৰ পামখনৰ মাটিৰ পৰিমাণ ১৪ বিঘা। ইয়াৰ ভিতৰত দুবিঘা মাটিত আছে দুটাকৈ পুখুৰী। এবিঘা মাটিত তামোল-পাণকে ধৰি উদ্যান শস্যৰ খেতি আৰু বাকীখিনি মধ্যমীয়া আৰু বাম মাটিত ধান প্ৰমুখ্যে বছৰজুৰি কৰে বিভিন্ন শস্যৰ খেতি। পশুপালন ক্ষেত্ৰখনে সামৰি লৈছে বৰ্ণসংকৰ গাই গৰু, ছাগলী, হাঁহ আদিৰ দৰে পশুধন। প্ৰয়োজনৰ সময়ত কে চি চি যোগে লোৱা ঋণে তেওঁক বিশ্বাসী বন্ধুৰ দৰে সহায় কৰিছে। প্ৰণালীবদ্ধ কিন্তু তুলনামূলকভাৱে সীমিত এই কৃষিক্ষেত্ৰখনৰ পৰাই চৌধুৰীয়ে বছৰি আয় কৰি আহিছে ৫ লাখতকৈও অধিক টকা। ২০১৩-২০১৪ বৰ্ষত এইগৰাকী কৃষকে কামৰূপ জিলাৰ শ্ৰেষ্ঠ কৃষকৰ বঁটা লাভ কৰে।

অধ্যৱসায়, সামাজিক নেতৃত্ব তথা উন্নত কৃষি প্ৰযুক্তিৰ প্ৰয়োগৰ প্ৰতি থকা ধাউতিৰ বাবে ২০১৩-২০১৪ বৰ্ষত বনমালী চৌধুৰীক কৃষি বিভাগে আগবঢ়ায় ৰাজ্যৰ তৃতীয় স্থানপ্ৰাপ্ত কৃষকৰ সন্মান।

চৌধুৰীলৈ আমাৰ অভিনন্দন।